# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-12-2024
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি যোৰহাট জিলাৰ বিকাশৰ ১২ দিন কাৰ্যসূচীত উপস্থিত থাকিব। যোৰহাট ষ্টেডিয়ামত দিনৰ ১২ বজাত হ'বলগীয়া অনুষ্ঠানত ড° শৰ্মাই অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ মুঠ ১২ হাজাৰ ৬৪৭ গৰাকী ঋণীলৈ দ্বিতীয় পৰ্যায়ত ন ডিউজ চাৰ্টিফিকেট বিতৰণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংশোধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ- পি এম এফ এম ই ছীড কেপিটেল আঁচনিৰ অধীনত মূলধনী বিনিয়োগৰ ওপৰত ৩৬৬ গৰাকী ব্যক্তিলৈ ৰাজসাহাৰ্য বিতৰণ কৰিব। একেটা অনুষ্ঠানতে দুৰ্যোগত ক্ষতিগ্ৰস্ত ৫টা পৰিয়াললৈ পোনপটীয়াকৈ আৰ্থিক সাহাৰ্য প্ৰদান কৰা হ'ব।

ইপিনে, কামৰূপ জিলাৰ সংহত জিলা কাৰ্যালয় চৌহদত দিনৰ ১১ বজাত হ'বলগীয়া **বিকাশৰ ১২ দিন** কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব। একেদৰে মৰিগাঁও জিলাৰ তৰুণ ৰাম ফুকন খেলপথাৰত পীযুষ হাজৰিকা, ধেমাজি জিলাৰ কাছাৰী ময়দানত ডাঃ ৰণোজ পেগু, কোকৰাঝাৰত বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ গ্ৰীণ ফিল্ডত প্ৰমোদ বড়ো, শ্ৰীভূমি জিলাৰ নীলমণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কৃষ্ণেন্দু পাল, ডিমা হাচাও জিলাৰ হাফলঙৰ লাল ফিল্ডত দেৱলাল গাৰ্লোচা আৰু কাচাৰ জিলাৰ গান্ধী মেলা ফিল্ডত কৌশিক ৰায় **বিকাশৰ ১২ দিন** অনুষ্ঠানত উপস্থিত থাকিব।

ooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ১৭ ডিচেম্বৰত ভাৰতৰ প্ৰতিবেশী দেশ ভূটানলৈ যাব। ড° শৰ্মাই ভূটানৰ ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব। মুখ্যমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ কালত গুৱাহাটীৰ পৰা ভূটানৰ গেলেপুলৈকে ৰে'লপথ নিৰ্মাণৰ অভিলাষী প্ৰস্তাৱিত আঁচনিখন ৰূপায়ণৰ ৰূপৰেখা তৈয়াৰ কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভূটান ভ্ৰমণ সন্দৰ্ভত সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰে। ইয়াৰ লগতে মুখ্যমন্ত্ৰীৰ ভ্ৰমণ কালত ভূটানৰ পাদদেশত অসম সীমান্তৱৰ্ত্তী জিলাসমূহলৈ জলসিঞ্চনৰ আঁচনি ৰূপায়ণ কৰা সন্দৰ্ভতো দুয়ো দেশৰ মাজত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। ভূটানৰ জলশক্তিক অসমৰ সীমামূৰীয়া জিলাসমূহত ব্যৱহাৰ কৰি বিদ্যুতৰ নাটনি কেনেদৰে দূৰ কৰা হ'ব সেই সন্দৰ্ভতো মুখ্যমন্ত্ৰী ড° শৰ্মাই ভূটানৰ সৈতে আলোচনা কৰিব।

ooooooo

উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰীৰ উন্নয়নমূলক উদ্যোগ আঁচনিৰ অধীনত অসমকে ধৰি উত্তৰ পূবৰ ৰাজ্যসমূহৰ বাবে মুঠ ৩৫টা প্ৰকল্পত অনুমোদন জনাইছে। অনুমোদিত ৩৫টা প্ৰকল্পৰ ভিতৰত অসমত সাতটা প্ৰকল্প ৰূপায়ণ হ'ব। এই প্ৰকল্পসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৫৪০ কোটি টকা ধাৰ্য কৰিছে। লোকসভাত কালি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুকান্ত মজুমদাৰে

এই কথা প্ৰকাশ কৰে। অসমত ৰূপায়ণ হ'বলগীয়া সাতটা প্ৰকল্পৰ ভিতৰত কামৰূপ জিলাত উৎকৰ্ষ কেন্দ্ৰ হিচাপে ২০খন বিদ্যালয় নিৰ্মাণ কৰা হ'ব। তদুপৰি, শিৱসাগৰ জিলাত ১০০খন বিছনাযুক্ত চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ, গুৱাহাটীৰ গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ দুই লেনযুক্ত পথটো চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণ, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ উদ্যোগত শিশু আৰু প্ৰাপ্তবয়স্কৰ তেজৰ কৰ্কট ৰোগৰ চিকিৎসাৰ এটা কেন্দ্ৰৰ লগতে এটা দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন, কামাখ্যা কৰিড'ৰ নিৰ্মাণ আৰু গুৱাহাটীত ৰাজ্য চৰকাৰৰ সহযোগত এটা ডিজিটেল মুদ্ৰণ কেন্দ্ৰ স্থাপনৰ প্ৰকল্পও আছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০০

ভাৰতে যোৱানিশা ওমানৰ মাস্কাটত অনুষ্ঠিত মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল-এৰ নিজৰ চতুৰ্থখন খেলত থাইলেণ্ডক ৯-০ গ'লত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰতে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ লগতে অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইচ জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাত স্থান নিশ্চিত কৰে।

ভাৰতৰ হৈ খেলখনত সহ অধিনায়ক সাক্ষী ৰাণাই প্ৰথমটো গ'ল দিয়ে। খেলখনত ভাৰতৰ দিপিকাই চাৰিটা আৰু কণিকা ছিৱাছে তিনিটা গ'ল দিয়ে। ভাৰত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত কাইলৈ জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

ভাৰতৰ তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দৰ যুটীটো আজি চীনৰ হাংঝৌত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড টুৰ ফাইনেলছ বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ ডাবলছৰ গ্ৰুপ পৰ্যায়ৰ তৃতীয়খন খেলত জাপানৰ নামি মাটছুয়ামা আৰু ছিহাৰু ছিদাৰ যুটীটোৰ মুখামুখি হ'ব। ভাৰতীয় যুটীটোৱে কালি গ্ৰুপ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত মালয়েছিয়াৰ পিয়াৰ্লি টান আৰু থিনাহ মুৰালীথৰণৰ যুটীটোক ২১-১৯, ২১-১৯ গেমত পৰাস্ত কৰে।

০০০০০০০

## সমাপ্ত